# আমি বিজ্ঞানৰ অপব্যৱহাৰ কৰিছো নেকি ?

কাব্যশ্ৰী বৰুৱা, সপ্তম শ্ৰেণী, শংকৰদেৱ শিশু বিদ্যা নিকেতন বৰহাট

বিজ্ঞান আৰু প্ৰযুক্তিয়ে আমাৰ জীৱন তথা সমাজ খনক এটা উন্নত পৰ্যায়লৈ লৈ গৈছে। যিটো পৰ্যায়ত আমি শৰীৰৰ কম শক্তি খৰচ কৰি বিভিন্ন ধৰণৰ কাম কৰিব পাৰো, উদাহৰণ স্বৰূপে বিজ্ঞানৰ ফলত বৰ্তমান সময়ত যি কৰ'না মহামাৰীয়ে আমাৰ এই বিশ্বক গ্ৰাস কৰি থৈছে , তাৰ সৈতে যুঁজিবলৈ যি প্ৰতিষেধক আৱিষ্কাৰ হৈছে বা বিভিন্ন ধৰণৰ ৰোগৰ প্ৰতিষেধক আৱিষ্কাৰ কৰা সম্ভৱ হৈছে মাত্ৰ বিজ্ঞানৰ ফলত। বিজ্ঞান আৰু প্ৰযুক্তিৰ ফলত মানৱ জাতিৰ ইমানেই উন্নতি হৈছে যে মানুহে পৃথিৱীৰ জল, স্থল, ভূ- গৰ্ভৰ পৰা মহাশূণ্য মহাকাশ সম্বন্ধে গৱেষণা আৰু মহাকাশলৈ মানৱ পঠিওৱাৰ লগতে বৰ্তমান সময়ত পৃথিৱীৰ পৰা নিযুত দূৰৈত থকা মঙ্গল গ্ৰহলৈ মানৱ পঠিওৱাৰ যো-জা চলাইছে। তদুপৰি বিজ্ঞান প্ৰযুক্তিৰ ফলত যি ম'বাইল ফোন, কম্পিউটাৰ, ইণ্টাৰনেট আদি আৱিষ্কাৰ হৈছে, যিহেতু বৰ্তমান  ক'ৰনা মহামাৰীয়ে গোটেই বিশ্বক গ্ৰাস কৰাৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীয়ে বিদ্যালয়লৈ গৈ পাঠদান কৰিব পৰা নাই, ছাত্ৰ-ছাত্ৰীয়ে পাঠ গ্ৰহণ কৰিব পৰা নাই,  এই সমূহ আৱিষ্কাৰৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে বিকল্প পদ্ধতি হিছাপে অনলাইন ক্লাছৰ জৰিয়তে শিক্ষকে দিয়া পাঠ গ্ৰহণ কৰিব পাৰিছে। যিদৰে এজন মানুহৰ গাত ভাল-বেয়া দুয়োটা গুণ থাকে, সেইদৰে বিজ্ঞানৰো ভাল-বেয়া দুয়োটা গুণ আছে। মাত্ৰ তাৰ ভাল ব্যৱহাৰটো কৰিব জানিব লাগিব। মানৱে বিজ্ঞানৰ অপব্যৱহাৰ কৰাৰ ফলত এই মহামাৰী কৰ'না ভাইৰাছৰ সৃষ্টি হৈছে। এই মানৱ জাতিয়ে বিজ্ঞানৰ ইমানেই অপব্যৱহাৰ কৰিছে যে, ইখন দেশে সিখন দেশক বশ কৰিবলৈ নানা ধৰণৰ মাৰণাস্ত্ৰ যেনে এটম বোমা, খাৰ-বাৰুদ আদি আৱিষ্কাৰ কৰি এখন দেশৰ বা এই পৃথিৱীৰ আধা সংখ্যক দুষ্প্ৰাপ্য জীৱক বা প্ৰকৃতিক ধ্বংস কৰি সিহঁতৰ পৰা কাঢ়ি লৈছে। মানুহ ইমানেই তললৈ নামিছে যে মানুহে মানৱীয়তা গুণ পাহৰি পেলাইছে। এতিয়া সকলো দিশতে কেৱল প্ৰতিযোগিতা, সকলোৱে নিজে নিজক লৈ ব্যস্ত। আমাৰ দেশ ভাৰতবৰ্ষত

আধাসংখ্যক মানুহ যি গৃহহাৰা, অনাহাৰে ফুটপাথত পৰি থাকে, সিহতলৈ ডিঙি মেলি চাবলৈ কোনো নাই। আমেৰিকাত পাৰমাণৱিক শক্তি কৰাত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল বিজ্ঞানী ৰবাৰ্ট অ'পেনহাইমাৰে। তেওঁক সহায় কৰিবলৈ দেশী-বিদেশী বহু বিজ্ঞানী নিয়োগ কৰা হৈছিল আৰু সেই কাম আৰম্ভ কৰিবলৈ আমেৰিকা চৰকাৰে প্ৰথম কিস্তিতে দুশ কোটি ডলাৰ মঞ্জুৰ কৰিছিল। এই বিজ্ঞানী সকলে  তেওঁলোকৰ প্ৰখৰ মগজু আৰু সেই দুশ কোটিৰে এটা জীৱ ধ্বংস কৰা যন্ত্ৰ আৱিষ্কাৰ নকৰি যদি গৃহহাৰা, অনাহাৰে পৰি থকা ব্যক্তি সকলৰ উন্নতিৰ বাবে তেওঁলোকৰ প্ৰখৰ মগজু সপি দিলে হয় মানৱ জাতিৰ আজি বহুত উন্নতি হ'ল হেঁতেন বুলি মই ভাবোঁ।



এই পৃথিৱীত এচাম মানুহে আন এচাম মানুহক শাৰীৰিক, মানসিক নিৰ্যাতন কৰি বা তেওঁলোকক ঠগি বহুমূলীয়া অংগ কাঢ়ি নি অংগৰ ব্যৱসায় কৰে। এতিয়া যিহেতু “ফেশ্বনৰ যুগ” , প্ৰকৃতিৰ নিয়ম এইটো যে মানুহে ল'ৰা কালৰ পৰা বুঢ়া কালত উপস্থিত হ'বই, মানুহে নিজৰ সৌন্দৰ্য হেৰুৱাব নোখোজে, সেয়ে মানুহে আজিকালি উদ্ভিদৰ পৰা প্ৰস্তুত কৰা প্ৰসাধন সামগ্ৰী ব্যৱহাৰ কৰাৰ উপৰিও জীৱ দেহৰ তেজৰ পৰা প্লাজমা নামৰ জুলীয়া অংশৰ পৰা তৈয়াৰী প্ৰসাধন সামগ্ৰীও ব্যৱহাৰ কৰে। এই প্লাজমা এচাম মানুহে আন এচামক ঠগি তেওঁলোকৰ শৰীৰত থকা প্লাজমা শোষণ কৰি টকাৰ বিনিময়ত বাহিৰৰ দেশলৈ ৰপ্তানি কৰে। যি জন ব্যক্তিৰ পৰা প্লাজমা কাঢ়ি অনা হৈছিল তেওঁ অভাৱজনিত ৰোগত মৃত্যু হ'ব পাৰে। সেই প্লাজমা, প্ৰসাধন সামগ্ৰীৰ ক্ৰীম, আমি ব্যৱহাৰ কৰা সাধাৰণ ক্ৰীম নহয়। যি বোৰ আজিকালি ক্ষন্তেক সময়ৰ কাৰণে কৃত্ৰিম চেহেৰাৰ সৃষ্টি কৰে, যেনে – বিউটি ক্ৰীম, ফাউণ্ডেচন আদিত ব্যৱহাৰ কৰা হয়। এচাম মানুহে এনে অমানৱীয় কাম কৰিছে, সেই কৰ্ম কৰিবলৈ উৎসাহিত কৰিছো আমি। সেয়েহে যিমান পাৰে এনে প্ৰসাধন ধন সামগ্ৰী বোৰ কমকৈ ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিব। কাৰণ তাত সোমাই আছে এজন মানুহৰ আশা আৰু গম নোপোৱাকৈ কাঢ়ি নিয়া শৰীৰৰ এটা অংগ।

আমাৰ দেশ ভাৰতবৰ্ষত এদিনত খাৰ বাৰুদ তৈয়াৰ কৰোঁতে প্ৰায় ১২,০০,০০০ টকা খৰচ হয়। লগতে পৰিৱেশ প্ৰদূষণ হয় আৰু প্ৰকৃতি ধ্বংস হয়। ভাৰতৰ বহুলোক গৃহহাৰা, সেই খাৰ-বাৰুদত ইমান টকা খৰচ নকৰি সেই টকাৰে যদি আমাৰ গৃহহাৰা লোক সকলক সহায় কৰা যায়, তেন্তে আমাৰ দেশৰো মানদণ্ড উন্নত হ'ব। ইখন দেশে সিখন দেশক বশ কৰা বা হিংসা কৰা, সেইবোৰ কিয় কৰিব লাগে! মই ভাবো যে মানুহক নিয়াৰিকৈ জীয়াই থাকিবলৈ এডোখৰ কাপোৰ, এডোখৰ বাসস্থান আৰু খাদ্যৰ প্ৰয়োজন হয়। হয়, শিক্ষা, বিজ্ঞান লাগিবই। মানুহৰ ভাব বহল হবলৈ , এখন সমাজলৈ কু-সংস্কাৰ আৰু অন্ধবিশ্বাস আদি মনলৈ নাহিবলৈ শিক্ষা বিজ্ঞানৰ প্ৰয়োজন। কিন্তু মানুহে বিজ্ঞানৰ অপব্যৱহাৰ কৰিব নালাগে। বিজ্ঞানৰ সু-ব্যৱহাৰ কৰিব জানিলে মানৱ জাতিৰ মানদণ্ড উন্নত হ'ব বুলি মই আশা কৰোঁ। বিজ্ঞানৰ যাতে অপব্যৱহাৰ নকৰাৰ লগতে মানুহে মানৱীয়তা গুণ নেহেৰুৱাই তাৰ বাবে অনুৰোধ জনাই এই লিখনি সামৰণি মাৰিলোঁ।

*******************